# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 04-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফেৰান্সিং ব্যৱস্থাৰে ৭২ সংখ্যক ৰাষ্ট্ৰীয় ভলীবল প্ৰতিযোগিতা উদ্বোধন কৰিব।

২। নতুন ফৌজদাৰী আইনে ২০২৯ চনৰ ভিতৰত ছেছন আদালতৰ পৰা উচ্চতম ন্যায়ালয়লৈকে সময় নিৰ্ধাৰিত ন্যায় নিশ্চিত কৰিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰই ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিক'লাছ মাডুৰো আৰু তেওঁৰ পত্নীক কৰায়ত্ব কৰাৰ পাছত দেশখনৰ বিৰোধী পক্ষৰ নেত্ৰী মাৰিয়া কোৰিনা মচাডোই ভেনিজুৱেলাৰ স্বাধীনতাৰ সময় আহি পৰিছে বুলি মন্তব্য কৰিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰই ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি আৰু তেওঁৰ পত্নীক কৰায়ত্ব কৰা কাৰ্যৰ প্ৰতি বিশ্বৰ বিভিন্ন পক্ষৰ নেতাই মিশ্ৰিত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। *আৰু*

৫। ভাৰতীয় ১৯ বছৰ অনুৰ্ধ ক্ৰিকেট দলে তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত দক্ষিণ আফ্ৰিকাক ২৫ ৰানত পৰাস্ত কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৭২ সংখ্যক ৰাষ্ট্ৰীয় ভলীবল প্ৰতিযোগিতা ভিডিঅ' কনফাৰেন্সিঙ ব্যৱস্থাৰে উদ্বোধন কৰিব। অহা আজিৰ পৰা অহা ১১ তাৰিখলৈ বাৰাণসীৰ ডাঃ সম্পুৰানন্দ ক্ৰীড়া ষ্টেডিয়ামত এই প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এই উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব। দেশৰ বিভিন্ন ৰাজ্য আৰু প্ৰতিষ্ঠানৰ ১০০০ৰো অধিক খেলুৱৈৰে গঠিত প্ৰায় ৭৩টা পুৰুষ আৰু মহিলা দলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ সাজু হৈছে। এই প্ৰতিযোগিতাত খেলুৱৈসুলভ মনোভাৱ,সুস্থ প্ৰতিযোগিতা আৰু ভলীবলত ভাৰতীয়ৰ যোগ্যতাৰ উচ্চ মান দেখিবলৈ পোৱা যাব বুলি আশা কৰা হৈছে। প্ৰতিযোগিতাখনৰ জৰিয়তে মহানগৰখনত খেলুৱৈসকলৰ বিকাশ আৰু খেলৰ আন্তঃগাঁথনি শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। তদুপৰি মহানগৰখনত পৰৱৰ্তী সময়ত গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলৰ লগতে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰাৰ এটা মূল কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰতো এই প্ৰতিযোগিতাই বিশেষ ভূমিকা আগবঢ়াব।

০০০০০

২০২৯ চনৰ ভিতৰত চেচন আদালতৰ পৰা উচ্চতম ন্যায়ালয়লৈ তিনিখন নতুন ফৌজদাৰী আইনে সময় নিৰ্ধাৰিত ন্যায় সুনিশ্চিত কৰিব।কালি আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ শ্ৰী বিজয়া পুৰমত গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ সংসদীয় পৰামৰ্শদাতা সমিতিৰ বৈঠকৰ অধ্যক্ষতা কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এইদৰে কয় । নতুন ফৌজদাৰী আইনকেইখনে তদন্ত ত্বৰান্বিত কৰাৰ লগতে দোষী সাব্যস্ত হোৱাৰ হাৰ বৃদ্ধি কৰিছে বুলিও শ্ৰী শ্বাহে উল্লেখ কৰে । তেওঁ কয় যে ২০১৯ চনৰ পৰা গৃহ মন্ত্ৰালয়ে সংসদীয় পৰামৰ্শদাতা সমিতিৰ ১২খন বৈঠক অনুষ্ঠিত কৰিছে আৰু ইয়াৰ ফলত ইতিবাচক ফলাফল পোৱা গৈছে। শ্ৰী শ্বাহে লগতে কয় যে ২০২১ চনত দেশত কোনো ভ্ৰাম্যমাণ ফৰেনছিক লেব নাছিল, আৰু আজি এই সংখ্যাই ১০০০ অতিক্ৰম কৰিছে। সমগ্ৰ দেশতে ফৰেনছিক লেবৰ নেটৱৰ্ক স্থাপনৰ বাবে অহা পাঁচ বছৰত ৩০ হাজাৰ কোটি টকাৰ বিনিয়োগ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ২০২৯ চনৰ ভিতৰত দেশৰ প্ৰতিখন ৰাজ্যতে ফৰেনছিক বিশ্ববিদ্যালয় বা কেন্দ্ৰীয় ফৰেনছিক লেবৰেটৰী স্থাপন কৰা হ'ব।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰই ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিক'লাছ মাডুৰো আৰু তেওঁৰ পত্নীক কৰায়ত্ব কৰাৰ পাছত দেশখনৰ বিৰোধী পক্ষৰ নেত্ৰী তথা শান্তিৰ ন'বেল বঁটা প্ৰাপক মাৰিয়া কোৰিনা মচাডোই কয় যে ভেনিজুৱেলাৰ স্বাধীনতাৰ সময় আহি পৰিছে। শ্ৰী মচাডোই সামাজিক মাধ্যমৰ যোগে কয় যে নিক'লাছ মাডুৰোই ভেনিজুৱেলাৰ জনসাধাৰণ আৰু অন্য দেশৰ নাগৰিকৰ বিৰুদ্ধে কৰা জঘন্য অপৰাধৰ বাবে আন্তঃৰাষ্ট্ৰীয় আইনৰ সন্মুখীন হ'ব লাগিব। তেওঁ কয় যে মাডুৰোই আলোচনাৰ মাধ্যমেৰে সমাধানৰ প্ৰস্তাৱ অস্বীকাৰ কৰাৰ পাছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰে আইন বলৱৎ কৰা প্ৰতিশ্ৰুতি পূৰণ কৰিছে। শ্ৰীমচাডোই কয় যে দেশখনত জনসাধাৰণৰ সাৰ্বভৌমত্ব আৰু ৰাষ্ট্ৰীয় সাৰ্বভৌমত্বৰ শাসন স্থাপন কৰাৰ সময় আহি পৰিছে। বিৰোধী পক্ষৰ নেত্ৰী গৰাকীয়ে কয় যে তেওঁলোকে দেশখনলৈ আইন শৃংখলা ঘূৰাই আনিব, ৰাজনৈতিক বন্দীসকলক মুকলি কৰি দিব আৰু শিশুসকলক ঘৰলৈ ঘূৰাই আনিব। ভেনিজুৱেলাত গণতন্ত্ৰৰ বাবে বছৰ বছৰ ধৰি চলি থকা সংগ্ৰামে গুৰুত্বপূৰ্ণ সন্ধিক্ষণত উপনীত হোৱা বুলি তেওঁ মন্তব্য কৰে।

ইয়াৰ পূৰ্বে আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে দেশখনৰ তেল কোম্পানীসমূহে ভেনিজুৱেলাৰ ক্ষতিগ্ৰস্ত তেল আন্তগাঁথনিসমূহৰ মেৰামতিৰ বাবে কোটি কোটি টকা ব্যয় কৰিব। শ্ৰীট্ৰাম্পে ফ্লৰিডাত এখন সংবাদ মেলত কয় যে আমেৰিকা যুক্তৰাষ্ট্ৰ তেল বিক্ৰীৰ ব্যৱসায়ৰ সৈতে জড়িত আৰু দেশখনে অন্য আগ্ৰহী ৰাষ্ট্ৰসমূহক তেল যোগান ধৰিব। তেওঁ কয় যে ভেনিজুৱেলাৰ পুতৌজনক আন্তঃগাঁথনিয়ে তেলৰ উৎপাদন সীমিত কৰিছে। তেওঁ লগতে কয় যে শান্তি, ন্যায় আৰু ক্ষমতাৰ নিৰাপদ হস্তান্তৰ সুনিশ্চিত কৰাৰ বাবে আমেৰিকাই অস্থায়ীভাৱে ভেনিজুৱেলাৰ শাসনব্যৱস্থা পৰিচালনা কৰিব। আমেৰিকা যুক্তৰাষ্ট্ৰই ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি আৰু তেওঁৰ পত্নীক কৰায়ত্ব কাৰ্যৰ প্ৰতি বিশ্বৰ বিভিন্ন পক্ষৰ নেতাই মিশ্ৰিত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। চীন, ৰাছিয়া, ইৰান, ব্ৰাজিল আৰু কিউবাকে ধৰি কেইবাখনো দেশে আমেৰিকাৰ সামৰিক ব্যৱস্থাক গৰিহণা দিছে আৰু ইয়াক ভেনিজুৱেলাৰ সাৰ্বভৌমত্ব তথা ভৌগোলিক অখণ্ডতাৰ উলংঘন বুলি অভিহিত কৰিছে। ইউৰোপীয় দেশৰ নেতাসমূহে সংযম বৰ্তাই ৰাখিবলৈ আহ্বান জনাইছে।

০০০০০০

ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানে ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিকোলাছ মাদুৰোক বন্দী কৰাৰ আমেৰিকাৰ এই সামৰিক কাৰ্যক এটা বিপজ্জনক বুলি অভিহিত কৰিছে। ৰাষ্ট্ৰসংঘৰ মুখপাত্ৰ ষ্টেফান ডুজাৰিকে এটা বিবৃতিত কয় যে এই অভিযানে ৰাষ্ট্ৰখনৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলাব পাৰে বুলি সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছ গভীৰভাৱে আতংকিত আৰু চিন্তিত। শ্ৰী গুটেৰেছে লগতে কয় যে আন্তঃৰাষ্ট্ৰীয় আইনৰ নিয়মসমূহ সন্মান নকৰাৰ বাবে তেওঁ গভীৰভাৱে উদ্বিগ্ন। তেওঁ ৰাষ্ট্ৰসংঘৰ চনদকে ধৰি আন্তঃৰাষ্ট্ৰীয় আইনৰ প্ৰতি সম্পূৰ্ণ সন্মানৰ গুৰুত্বৰ সন্দৰ্ভত আলোকপাত কৰি কৰি এই নিয়মসমূহ মানি নচলিলে পৰিস্থিতি আৰু ভয়াৱহ হ'ব পাৰে বুলি উদ্বেগ প্ৰকাশ কৰে। সচিব প্ৰধানগৰাকীয়ে মানৱ অধিকাৰ আৰু আইনৰ শাসনক সম্পূৰ্ণ সন্মান জনাই ভেনিজুৱেলাত সৰ্বাংগীন আলোচনাৰ আহ্বান জনাইছে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰপতি নিকোলাছ মাডুৰো আৰু তেওঁৰ পত্নীক নিউয়ৰ্কৰ ফেডাৰেল কৰ্তৃপক্ষই নিচা সন্ত্ৰাসবাদ আৰু আমেৰিকাৰ বিৰুদ্ধে ধ্বংসাত্মক অস্ত্ৰ ৰখাৰ ষড়যন্ত্ৰৰ অভিযোগত অভিযুক্ত কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰীৰ সক্ৰিয় প্ৰশাসন আৰু সময় নিৰ্ধাৰিত ৰূপায়নৰ ধবজাবাহী মঞ্চ প্ৰগতিয়ে ৫০ সংখ্যক বৈঠকৰ সফল আয়োজনেৰে গুৰুত্বপূৰ্ণ সাফল্য অৰ্জন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫ চনত আৰম্ভ কৰাৰে পৰা এই মঞ্চই প্ৰধানমন্ত্ৰীৰ পোনপটীয়া পৰ্যবেক্ষণৰ মাধ্যমেৰে গুৰুত্বপূৰ্ণ আন্তঃগাথনি প্ৰকল্প আৰু জনসাধাৰণৰ ওজৰ আপত্তিৰ বাস্তৱিক নিৰীক্ষণ তথা সমাধান সম্ভৱ কৰি তুলি শাসন ব্যৱস্থাত আমূল পৰিবৰ্তন সাধন কৰিছে। এই মঞ্চ সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদৰ নিদৰ্শনৰূপে পৰিগণিত হৈছে। এই মঞ্চই কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয়ক ডিজিটেলভাৱে সংযুক্ত কৰিছে। একদশকৰ অধিক সময়ৰ ভিতৰত প্ৰগতি মঞ্চই সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰা, গুৰুত্বপূৰ্ণ আন্তঃগাথনি প্ৰকল্প ৰূপায়নৰ ক্ষেত্ৰত দেখা দিয়া বাধাসমূহ দূৰ কৰা আৰু দায়বদ্ধতাৰ শক্তিশালী সংস্কৃতিৰ প্ৰসাৰত সহায় কৰিছে। ই অকল নিৰীক্ষণে নহয় বৰং শাসন ব্যৱস্থাৰ সংস্কাৰৰ বাবেও এখন মঞ্চৰূপে পৰিগণিত হৈছে।

এই বিশেষ শৃংখলাত আজি আমি লামডিং-শিলচৰ ব্ৰডগজ ৰূপান্তৰ প্ৰকল্পৰ বিষয়ে আলোকপাত কৰিবলৈ ওলাইছো।

দক্ষিণ অসমৰ মাজেৰে পাৰ হৈ যোৱা আৰু পাৰ্বত্য ৰাজ্য ত্ৰিপুৰা, মণিপুৰ আৰু মিজোৰামৰ সৈতে আৱ্যশকীয় ৰেল যোগাযোগ নিশ্চিত কৰা লামডিং-শিলচৰ ব্ৰডগজ ৰেলপথ কৌশলগত দিশৰ পৰা অতিকে গুৰুত্বপূৰ্ণ। খাদ্য সামগ্ৰী, সাৰ, পেট্ৰলজাত সামগ্ৰী, নিৰ্মাণ কাৰ্যত ব্যৱহৃত সামগ্ৰী আৰু অন্য অত্যাৱশ্যকীয় সামগ্ৰীৰ পৰিবহণেৰে এই ৰেলপথ অঞ্চলটোৰ বাবে জীৱন ৰেখা ৰূপে পৰিগণিত হৈছে। ১৯৯৬-৯৭ চনত লামডিং-শিলচৰ গজ ৰূপান্তৰ প্ৰকল্পত অনুমোদন দিয়া হৈছিল আৰু ২০০৪ চনত এই প্ৰকল্প ৰাষ্ট্ৰীয় প্ৰকল্প হিচাপে ঘোষণা কৰা হৈছিল। পথছোৱা গুৰুত্বপূৰ্ণ হোৱা সত্বেও ব্যাহত পুঁজি যোগান, ভৌগোলিক জটিলতা আৰু সন্ত্ৰাসবাদৰ বাবে ২০০৬ৰ পৰা ২০০৯চনলৈ প্ৰাৰম্ভিক অৱস্থাত এই প্ৰকল্প ৰূপায়ণত যথেষ্ট জটিলতা দেখা দিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫ চনৰ ২৫ মাৰ্চত প্ৰগতি ব্যৱস্থাৰ অধীনত এই প্ৰকল্পৰ পৰ্যালোচনা চলায় আৰু প্ৰধানমন্ত্ৰীৰ দিক্ নিৰ্দেশনাত এই প্ৰকল্পই অধিক গুৰুত্ব লাভ কৰিবলৈ ধৰে। ২০১৫ চনত

ব্ৰডগজলৈ ৰূপান্তৰৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত মালগাড়ী ৰেলৰ চলাচলেৰে এই প্ৰকল্পৰ প্ৰথম পৰ্যায় সম্পূৰ্ণ হয়। ইয়াৰ কিছুদিনৰ পাছতে পথছোৱাৰে যাত্ৰীবাহী ৰেলগাড়ীৰো চলাচল হয়। ২০১৭ চনৰ পহিলা মাৰ্চত প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত পথছোৱাৰে ৰেল চলাচল আৰম্ভ হয়। ইয়াৰ লগে লগে বৰাক উপত্যকা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে ব্ৰডগজ ৰেল যোগাযোগ সম্ভৱ হৈ উঠে। এই প্ৰকল্পই প্ৰগতিৰ মাধ্যমেৰে উচ্চ পৰ্যায়ৰ নিৰীক্ষণৰ প্ৰভাৱ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সামগ্ৰিক উন্নয়ন তথা যোগাযোগ উন্নীতকৰণৰ প্ৰতি চৰকাৰৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতাক সূচায়।

০০০০০০০

ভাৰতীয় ১৯ বছৰ অনুৰ্ধ ক্ৰিকেট দলে যোৱা নিশা বেননীৰ উইল'মোৰ পাৰ্কত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দল দক্ষিণ আফ্ৰিকাক ডাক ৱৰ্থ লুইছ পদ্ধতিৰ সহায়ত ২৫ ৰানত পৰাস্ত কৰে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৩০০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ হৰবংশ পংগালিয়াই ৯৩ আৰু আৰ এছ অম্বৰীশে ৬৫ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ৩০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ২৭ অভাৰ আৰু ৪ টা বলত ৪টা উইকেটৰ বিনিময়ত ১৪৮ ৰান কৰা অৱস্থাত বৰষুণে খেলখনত বিধি পথালি দিয়ে। ইয়াৰ পাছত খেলখন পুনৰ আৰম্ভ কৰিব পৰা নাযায় আৰু ভাৰতক ডাক ৱৰ্থ লুইছ পদ্ধতিৰে বিজয় ঘোষণা কৰা হয়।

০০০০০০০

সমাপ্ত